**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-07 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। বিদেশ সচিব বিক্ৰম মিস্ৰী দুদিনীয়া ভ্ৰমণসূচীৰে আজি ভূটানলৈ যাব।

২। অহা সপ্তাহৰ পৰা অনুষ্ঠিত হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী আইনকে ধৰি ছখন বিধেয়ক উত্থাপন কৰিব।

৩। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মাণ্ডভিয়াই আজি নতুন দিল্লীত চৰকাৰৰ খেল' ইণ্ডিয়া উদীয়মান প্ৰতিভা চিনাক্তকৰণ  চমুকৈ KIRTI পদক্ষেপৰ দ্বিতীয় পৰ্যায় মুকলি কৰিব।

৪। ভাৰতে ২০৩০ চনৰ ভিতৰত মূল্যৰ হিচাপত বৈদ্যুতিন উৎপাদনৰ ৫০ হাজাৰ কোটি ডলাৰ লাভ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

*আৰু*

৫। শ্ৰীলংকাৰ ডাম্বুলাত আজি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগতা আৰম্ভ হ'ব।

00000

বিদেশ সচিব বিক্ৰম মিস্ৰী দুদিনীয়া ভ্ৰমণসূচীৰে আজি ভূটানলৈ যাব। উল্লেখযোগ্য যে বিদেশ সচিবৰূপে কাৰ্যভাৰ গ্ৰহণৰ পাছত শ্ৰী মিস্ৰীৰ এইটোৱে প্ৰথমটো আনুষ্ঠানিক বিদেশ ভ্ৰমণ। ভ্ৰমণ কালছোৱাত বিদেশ সচিবগৰাকীয়ে ভূটানৰ ৰজাৰ উপস্থিতিত একাংশ জনতাৰ সৈতে মত বিনিময় কৰিব। শ্ৰী মিস্ৰীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী, বিদেশ পৰিক্ৰমা আৰু বিদেশ বাণিজ্য মন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰাৰ লগতে  ভূটান চৰকাৰৰ বৈদেশিক সচিব আৰু আন কেইবাজনো জ্যেষ্ঠ বিষয়াৰ সৈতে মত বিনিময় কৰিব। বিদেশ সচিবদ্বয়ে ভাৰত-ভূটান বিকাশ সহযোগিতা আলোচনাত সহ-অধ্যক্ষতা কৰিব। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দুয়োখন দেশৰ মাজত নিয়মীয়াভাৱে অনুষ্ঠিত হৈ অহা উচ্চ পৰ্যায়ৰ আলোচনাৰ পৰম্পৰা ৰক্ষা কৰি এই ভ্ৰমণৰ কাৰ্যসূচী হাতত লোৱা হৈছে আৰু ই ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিকেই প্ৰতিফলিত কৰিছে।

00000

অহা সপ্তাহৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী আইনকে ধৰি ছখন বিধেয়ক উত্থাপন কৰিব। বিত্ত বিধেয়কৰ উপৰি চৰকাৰে অসামৰিক পৰিবহণ খণ্ডত ব্যৱসায়ৰ সূচলতাৰ উদ্দেশ্যে ১৯৩৪ৰ বিমান আইনৰ সলনি ভাৰতীয় বায়ুযান বিধেয়ক ২০২৪ ও উত্থাপন কৰাৰ বাবেও চৰকাৰে তালিকাভুক্ত কৰিছে। লোকসভা সচিবালয়ে জাৰি কৰা সংসদীয় বুলেটিনত কালি সন্ধিয়া তালিকাভুক্ত

বিধেয়ক কেইখনৰ বিষয়ে প্ৰকাশ কৰা হৈছে। এই বৰ্ষাকালীন অধিৱেশন ২২ জুলাইত আৰম্ভ হ'ব আৰু ১২ আগষ্টত সামৰণি পৰিব। ২৩ জুলাইত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰিব।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ইতিমধ্যে কাৰ্যক্ৰমণিকা পৰামৰ্শৱলী সমিটি গঠন কৰিছে, যিয়ে সংসদীয় কাৰ্যসূচীসমূহ চূড়ান্ত কৰিব। শ্ৰী বিৰলাই নিজেই কালিৰে পৰা কাৰ্যকৰী হোৱা এই কমিটিৰ অধ্যক্ষতা কৰিব। এই কমিটিখনত টি এম চিৰ সুদীপ বন্দোপধ্যায়, বিজেপিৰ পি পি চৌধাৰী, টি ডি পিৰ লাভু শ্ৰীকৃষ্ণা দেৱাৰায়ালু, বিজেপিৰ নিশিকান্ত ডুবে, কংগ্ৰেছৰ গৌৰৱ গগৈ, বিজেপিৰ সঞ্জয় জয়ছোৱাল, জে ডি ইউৰ দিলেশ্বৰ কামাইট, বিজেপিৰ ভাত্ৰুহাৰী মহতাব, ডি এম কেৰ দয়ানিধি মৰান, বিজেপিৰ বৈজয়ন্ত পাণ্ডা, শিৱসেনা-ইউ পি টিৰ অৰবিন্দ ছাৱান্ত, বিজেপিৰ অনুৰাগ ঠাকুৰ আৰু এছ পিৰ লালজি বাৰ্মা সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

অৰুণাচল প্ৰদেশ বিধানসভাৰ বাজেট অধিৱেশন আজি আৰম্ভ হ'ব। পেমাখান্দু নেতৃত্বাধীন ৰাজ্য চৰকাৰখন পুনৰ ক্ষমতালৈ ঘূৰি অহা পাছত এইখনেই হ'ব চৰকাৰৰ প্ৰথমখন বাজেট। ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী চাওনা মাইনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰিব। অহা ২৪ জুলাইত তেওঁ এই বাজেট উত্থাপন কৰাৰ কথা আছে। এই অধিৱেশনত ছটা সত্ৰ অনুষ্ঠিত হ'ব আৰু ৬ জুলাইত ইয়াৰ সামৰণি পৰিব।

ooooo

অমৰনাথ তীৰ্থ যাত্ৰাৰ চাৰি হাজাৰ ৮২১ গৰাকী যাত্ৰীৰ আন এটা দলে জম্মুৰ ভাগৱতী নগৰ যাত্ৰী নিবাসৰ পৰা পৱিত্ৰ অমৰনাথ গুহা অভিমুখে যাত্ৰা কৰিছে। আজি পুৱা তীৰ্থ যাত্ৰীসকলে ১৫০ খন বাহনেৰে এই যাত্ৰা আৰম্ভ কৰে। এই দলটোত তিনি হাজাৰ ২৫৯ গৰাকী পুৰুষ, এহেজাৰ ৪৮২ গৰাকী মহিলা, ৮ টি শিশু, ৬৩ গৰাকী সাধু আৰু ৯ গৰাকী মহিলা সাধু আছে।

ooooo

ভাৰতে ২০৩০ চনৰ ভিতৰত মূল্যৰ হিচাপত বৈদ্যুতিন উৎপাদনৰ ৫০ হাজাৰ কোটি ডলাৰ লাভ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই অভিলাষী লক্ষ্যত সম্পূৰ্ণ সামগ্ৰী নিৰ্মাণৰ পৰা ৩৫০ বিনিয়ন ডলাৰ আৰু উপাদান নিৰ্মাণৰ পৰা ১৫০ বিলিয়ন ডলাৰ অন্তৰ্ভুক্ত কৰা হৈছে। কালি নতুন দিল্লীত নীতি আয়োগৰ ভাইচ চেয়াৰমেন সুমন বেৰীয়ে ইলেকট্ৰনিক্স পাৱাৰিং ইণ্ডিয়াৰ পাৰ্টিচিপেচন ইন গ্ল'বেল ভেল্যু ছেইনছ শীৰ্ষক প্ৰতিবেদনখন উন্মোচন কৰে। প্ৰতিবেদনত ভাৰতৰ ইলেকট্ৰনিক্স খণ্ডৰ বিস্তৃত বিশ্লেষণ কৰা হৈছে য'ত ইয়াৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বান সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ উপৰি ইলেকট্ৰনিক্সৰ বাবে ভাৰতক বিশ্বব্যাপি উৎপাদন কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ প্ৰয়োজনীয় নিৰ্দিষ্ট হস্তক্ষেপৰ ৰূপৰেখা দাঙি ধৰে। আধুনিক উৎপাদনত গ্ল'ৱেল ভেল্যু ছেইনসমূহ অতি গুৰুত্বপূৰ্ণ। ইয়াত ডিজাইন, উৎপাদন, বিপনন আৰু বিতৰণৰ মাজেৰে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা জৰিত হৈ আছে। প্ৰতিবেদনত ভাৰতৰ ইলেকট্ৰনিক্স খণ্ডই দ্ৰুত বৃদ্ধিৰ অভিজ্ঞতা লাভ কৰিছে বুলি উল্লেখ কৰা হৈছে।

ooooo

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই আজি নতুন দিল্লীত চৰকাৰৰ খেল' ইণ্ডিয়া উদীয়মান প্ৰতিভা চিনাক্তকৰণ  চমুকৈ KIRTI পদক্ষেপৰ দ্বিতীয় পৰ্যায় মুকলি কৰিব। মন্ত্ৰ্যালয়ে কৈছে যে, আধুনিক আই

চি টি সা-সৰঞ্জাম আৰু গোলকীয় সৰ্বশ্ৰেষ্ঠ অনুশীলনৰ আধাৰত প্ৰতিভাসমূহৰ চিনাক্ত কৰণৰ উদ্দেশ্যে এই পদক্ষেপৰ পৰিকল্পনা কৰা হৈছে। মন্ত্ৰালয়ে লগতে কৈছে যে, একেখন মঞ্চৰ জৰিয়তে তৃণমূল পৰ্যায়ত প্ৰতিভাসমূহৰ চিনাক্তকৰণৰ সম্পূৰ্ণ প্ৰক্ৰিয়া ৰূপায়ণৰ ব্যৱস্থা কৰাটোৱেই হৈছে ইয়াৰ অন্যতম উদ্দেশ্য। এই পৰ্যায়ত সকলো ৰাজ্যক সামৰি ২০২৪-২৫ বৰ্ষৰ সময়ছোৱাত ২০ লাখ ক্ৰীড়া প্ৰতিভাৰ মূল্যায়ন কৰা হ'ব। চলিত বৰ্ষৰ ১২ মাৰ্চত চণ্ডিগড়ত এই পদক্ষেপৰ প্ৰথম পৰ্যায়ৰ শুভাৰম্ভ কৰা হৈছিল। এই পৰ্যায়ত দেশৰ বিভিন্ন প্ৰান্তৰ ৭০টা কেন্দ্ৰত তিনি লাখ ৬২ হাজাৰ ৬৮৩ গৰাকী খেলুৱৈয়ে নাম পঞ্জীয়ন কৰা হৈছিল আৰু ১১ টা বিভিন্ন শিতানত এথলিটসকলৰ মূল্যায়ণ কৰা হৈছিল। এই শিতানসমূহ হৈছে আৰ্চাৰী, এথলেটিকছ, বেডমিণ্টন, বক্সিং, ফুটবল, হকী, কাবাডী, খো-খো, ভলীবল, ভাৰোত্তোলন আৰু মল্লযুঁজ।

০০০০০

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগতাৰ আজি শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ৰনগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলোৱা হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন আজি গ্ৰুপ এৰ দল নেপাল আৰু ইউ এ ইৰ মাজত অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে যোৱাবাৰৰ চেম্পিয়ন ভাৰত গ্ৰুপ এৰ আন এখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত ভাৰতক পাকিস্তান, নেপাল আৰু ইউ এ ইৰ সৈতে গ্ৰুপ 'এ'ত স্থান দিয়া হৈছে। আনহাতে আয়োজক দেশ শ্ৰীলংকা, বাংলাদেশ, থাইলেণ্ড আৰু মালয়েছিয়াক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দল দুটাৰ মাজত ২৬ জুলাইত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। আনহাতে, ফাইনেল খেলখন ২৮ জুলাইত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰত ২০১৮ চনৰ বাহিৰে প্ৰতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে।

০০০০০

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰালয়ে মিছন অলিম্পিক ছেলে অলিম্পিক অভিমুখী শ্বাটলাৰ এইচ এছ প্ৰণয়ৰ প্ৰশিক্ষক ৰোহন জৰ্জ মেথিউছ ফ্ৰান্সৰ পেৰিছত থকা বাবে আৰ্থিক সাহায্য প্ৰদানৰ প্ৰস্তাৱত অনুমোদন জনাইছে। মেথিউছৰ ব্যয় টাৰ্গেট অলিম্পিক প'ডিয়াম আঁচনিৰ অধীনত আদায় কৰা হ'ব। উল্লেখযোগ্য যে টপছে তেওঁৰ বিমান ভাড়া, থকাৰ ব্যৱস্থা, দৈনিক মাচুল, ভিছা মাচুল, স্থানীয় পৰিবহণ, চিকিৎসা ব্যয়ৰ দৰে বিবিধ খৰচৰ বাবে ধন আগবঢ়াব আৰু এই সময়ছোৱাৰ বাবে তেওঁ আউট অব পকেট ভাট্টাও প্ৰদান কৰিব। প্ৰশিক্ষণ আৰু প্ৰতিযোগিতাৰ বাবে বিভিন্ন সঁজুলিৰ দিশত সহায়ৰ বাবে বিকাশ সিং, সুৰজ পানৰাৰ, অংকিতা ধ্যানী, সৰ্বেশ কুছাৰে আৰু ছুটাৰ অনন্ত জিৎ সিং নাৰুকাৰ প্ৰস্তাৱতো অনুমোদন জনায়।

০০০০০

সমাপ্ত